# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-04-2025
**Time :** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***

ooooo

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সময়ৰ লগে লগে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাসঙ্গিকতা বৃদ্ধি পাব বুলি প্ৰকাশ কৰিছে।

২। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে অ' এ এল পিৰ নৱম পৰ্যায়ৰ নিলাম প্ৰক্ৰিয়াত ১ লাখ ৩৬ হাজাৰ বৰ্গকিলোমিটাৰতকৈ অধিক অঞ্চলত ২৮টা ব্লক আবণ্টন কৰিছে।

৩। ডুবাইত কৰ্মৰত তেলেংগানাৰ দুজন লোকক পাকিস্তানৰ এজন লোকে নৃশংসভাৱে হত্যা কৰাক লৈ প্ৰবাসী ভাৰতীয়সকলৰ মাজত উত্তেজনাই বিৰাজ কৰিছে।

৪। ভাৰতৰ শ্ৰেয়াছ্ আয়াৰক আই চি চিৰ মাৰ্চৰ শ্ৰেষ্ঠ পুৰুষ খেলুৱৈ ৰূপে নিৰ্বাচিত কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ এখন খেলত পঞ্জাৱ কিংছে কলকাতা নাইট ৰাইডাৰ্ছক ১৬ ৰাণত পৰাস্ত কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে দেশৰ উত্তৰ-পূব খণ্ড চুবুৰীয়া প্ৰথম নীতি, এক্ট ইষ্ট নীতি আৰু বিমষ্টেকৰ দৰে ভাৰতৰ গুৰুত্বপূৰ্ণ নীতিসমূহৰ বাবে অতি গুৰুত্বপূৰ্ণ আৰু সময়ৰ লগে লগে এই খণ্ডৰ প্ৰাসঙ্গিকতা বৃদ্ধি পাব। ড'নাৰ মন্ত্ৰালয়ে আয়োজন কৰা সমাগত উত্তৰ-পূব বিনিয়োগ সন্মিলন সন্দৰ্ভত প্ৰতিনিধিসকলৰ এখন বৈঠকত অংশগ্ৰহণ কৰি ড০ জয়শংকৰে এই কথা প্ৰকাশ কৰে। তেওঁ বিদেশী বিনিয়োগকাৰীসকলক উত্তৰ-পূব খণ্ডৰ বিভিন্ন সুযোগ আৰু সম্ভাৱনীয়তাসমূহৰ অন্বেষণ কৰি তেওঁলোকৰ চৰকাৰ তথা উদ্যোগসমূহৰ জৰিয়তে ইয়াৰ প্ৰসাৰৰ বাবে আহ্বান জনায়। উত্তৰ পূৰ্বাঞ্চলে পাঁচখন চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে সীমান্তৰ ভাগ-বটোৱাৰা কৰে বুলি উল্লেখ কৰি ড০ জয়শংকৰে কয় যে এই খণ্ডই ভাৰতীয় উপ-মহাদেশ আৰু আছিয়ান দেশসমূহৰ মাজৰ সেতু হিচাপে কাম কৰে। তেওঁ এই ক্ষেত্ৰত ত্ৰিপাক্ষিক ঘাইপথ আৰু কালাডান প্ৰকল্পৰ দৰে গুৰুত্বপূৰ্ণ প্ৰকল্পসমূহত আলোকপাত কৰি শেহতীয়াকৈ উত্তৰ-পূব খণ্ডৰ পৰাই দেশৰ চুবুৰীয়া ৰাষ্ট্ৰকেইখনৰ সৈতে হোৱা আলোচনা তথা চুক্তিৰ কথা উল্লেখ কৰে।

ooooo

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে অ'পেন এক্ৰেজ লাইচেন্সিং পলিচী চমুকৈ অ' এ এল পিৰ অধীনত নৱম পৰ্যায়ৰ নিলাম প্ৰক্ৰিয়াত ১ লাখ ৩৬ হাজাৰ বৰ্গকিলোমিটাতকৈ অধিক অঞ্চলত ২৮টা ব্লক আবণ্টন কৰিছে। বিষয়টোৰ তাৎপৰ্য সম্পৰ্কে ব্যাখ্যা কৰি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে মন্তব্য কৰিছে যে, ইয়াৰ দ্বাৰা ভাৰতৰ অব্যৱহৃত শক্তি ক্ষমতাৰ আহৰণ তথা আমদানি নিৰ্ভৰশীলতা হ্ৰাস কৰাত সহায় হ'ব। শক্তিখণ্ডত ইয়াৰ দ্বাৰা সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। লগতে অলপতে গৃহীত আউটফিল্ড নিয়ামক আৰু উন্নয়ন সংশোধনী আইনৰ বিষয়ে মন্ত্ৰীগৰাকীয়ে কয় যে আইনখনৰ সঠিক কাৰ্যকৰীকৰণৰ বাবে ৰাজহুৱা মঞ্চবোৰত ইয়াৰ নীতি-নিয়মসমূহ ইতিমধ্যে প্ৰকাশ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে শক্তি খণ্ডত বিদেশী বিনিয়োগকাৰীৰ সৈতে যৌথ উদ্যোগ আৰু কাৰিকৰী সহযোগিতাৰ ক্ষেত্ৰতো ইতিবাচক পদক্ষেপৰ আশা কৰে।

ooooo

ডুবাইত কৰ্মৰত তেলেংগানাৰ দুজন লোকক পাকিস্তানৰ এজন লোকে নৃশংসভাৱে হত্যা কৰাৰ বাতৰি পোৱা গৈছে। সাম্প্ৰদায়িক বিবাদক লৈ সূত্ৰপাত হোৱা এই ঘটনাত আন দুজন লোক গুৰুতৰভাৱে আহত হয়। আহত লোককেইজনৰ বৰ্তমান চিকিৎসা চলি আছে। যোৱা ১১ এপ্ৰিলত সংঘটিত হোৱা এই ঘটনাক লৈ ডুবাইত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ মাজত ভয় আৰু উত্তেজনাই বিৰাজ কৰিছে। ঘটনাত মৃত্যু হোৱা লোক দুজন তেলেংগানাৰ নিৰ্মল জিলাৰ ছোৱান মণ্ডলৰ আষ্টাপু প্ৰেমসাগৰ আৰু নিজামাবাদ জিলাৰ শ্ৰীনিবাস বুলি ডুবাই আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই ঘটনাৰ পাছতে গৃহ পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী বন্দি সঞ্জয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাজ্যমন্ত্ৰীগৰাকীয়ে এই ঘটনা সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সৈতে আলোচনা কৰে আৰু বৰ্তমান গৃহ মন্ত্ৰালয়ে এই ক্ষেত্ৰত সঘন যোগাযোগ কৰি আছে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰালয়ে মৃতদেহকেইটা ভাৰতত থকা তেওঁলোকৰ পৰিয়ালক সমৰ্পন কৰাৰ নিশ্চয়তা প্ৰদান কৰিছে। ভাৰতীয় দূতাবাসৰ জৰিয়তে ডুবাই আৰক্ষীক এই সমগ্ৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰিবলৈ মন্ত্ৰালয়ে আহ্বান জনাইছে।

০০০০০

উচ্চতম ন্যায়ালয়ে দেশত শিশু সৰবৰাহৰ সৈতে জড়িত অপৰাধ ৰোধ কৰা আৰু এনে অপৰাধৰ বিচাৰ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে  এলানি কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। উত্তৰ প্ৰদেশৰ শিশু সৰবৰাহ গোচৰৰ অভিযুক্তই দাখিল কৰা অগ্ৰিম জামিন আবেদনৰ শুনানী গ্ৰহণ কৰি ন্যায়ালয়ে কালি এই নীতি-নিৰ্দেশনা জাৰি কৰে। ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু আৰ মহাদেৱনৰ এখন বিচাৰপীঠে লগতে ছমাহৰ ভিতৰত শিশু সৰবৰাহ গোচৰৰ বিচাৰ সম্পূৰ্ণ কৰাৰ বাবে নিম্ন আদালতসমূহলৈ নীতি-নিৰ্দেশনা জাৰি কৰিবলৈ উচ্চ ন্যায়ালয়সমূহক নিৰ্দেশ দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ে কয়, যে ন্যায়ৰ ক্ষেত্ৰত হোৱা বিলম্ব ৰোধ কৰাৰ বাবে এনে গোচৰৰ শুনানী দৈনিক ভিত্তিত গ্ৰহণ কৰা উচিত। ন্যায়ালয়ে শিশু সৰবৰাহ গোচৰৰ তদাৰকক লৈ উত্তৰ প্ৰদেশ চৰকাৰক আৰু শিশু সৰবৰাহ গোচৰত জড়িত অভিযুক্তলৈ জাননী জাৰি কৰাৰ বাবে এলাহাবাদ উচ্চ ন্যায়ালয়ক সমালোচনা কৰে। সৰ্বোচ্চ ন্যায়ালয়ে কয়, যে নীতি-নিৰ্দেশনা ৰূপায়ণৰ ক্ষেত্ৰত শিথিলতাৰ বিষয়টো গুৰুত্ব সহকাৰে লোৱা হ'ব আৰু ইয়াক আদালতৰ অৱমাননা বুলি গণ্য কৰা হ'ব। উচ্চতম ন্যায়ালয়ে এটা গুৰুত্বপূৰ্ণ ৰায়যোগে কয়, যে চিকিৎসালয়ৰ পৰা নৱ-জাতকৰ চুৰি হ'লে প্ৰথমে সংশ্লিষ্ট চিকিৎসালয়খনৰ অনুজ্ঞা পত্ৰ বাতিল কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

০০০০০

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ক কয় যে তেওঁ এখন পেলেষ্টাইনী ৰাজ্য স্থাপনৰ বিৰোধিতা কৰে। নেতান্যাহুৱে দ্বিদেশীয় সমস্যা সমাধানৰ বাবে আন্তঃৰাষ্ট্ৰীয় সমৰ্থন যুগুতোৱাৰ ক্ষেত্ৰত তেওঁৰ দীৰ্ঘদিনীয়া স্থিতিৰ কথা দোহাৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ফোনযোগে হোৱা কথা-বতৰাত নেতান্যাহুৱে পেলেষ্টাইনী ৰাজ্য স্থাপনৰ তীব্ৰ বিৰোধিতা কৰি কয় যে এনে হ'লে এয়া সন্ত্ৰাসবাদীৰ বাবে এটা উল্লেখনীয় সাফল্য হ'ব। ইজৰাইলৰ চহৰসমূহৰ নিচেই ওচৰতে পেলেষ্টাইনী ৰাজ্য স্থাপন হ'লে ইৰাণৰ সন্ত্ৰাসবাদীৰ বাবে এয়া এটা শক্তিশালী কেন্দ্ৰ হৈ পৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে সতৰ্ক কৰি দিয়ে। তেওঁ লগতে কয় যে অধিক সংখ্যক ইজৰাইলৰ জনসাধাৰণে এই বিষয়টো কঠোৰভাৱে বিৰোধিতা কৰিছে। ফোনযোগে হোৱা এই কথা-বতৰাৰ পাছত শ্ৰীমেক্ৰোৱে এটা বাৰ্তাত ইজৰাইলৰ নিৰাপত্তাৰ ক্ষেত্ৰত ফ্ৰান্সৰ পূৰ্ণ সমৰ্থন আছে বুলি দোহাৰে। তেওঁ লগতে কয় যে হামাছে এতিয়াও পণবন্দী কৰি ৰখা লোকসকলৰ মুক্তি সুনিশ্চিত কৰাৰ একমাত্ৰ উপায় হৈছে যুদ্ধবিৰতি। তেওঁ লগতে গাজাৰ জনসাধাৰণৰ সমৰ্থনৰ বাবে সকলো ধৰণৰ মানৱীয় সাহায্য তৎকালে মুকলি কৰি দিয়াৰ বিষয়ত গুৰুত্ব আৰোপ কৰে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে চলিত বৰ্ষৰ জুনৰ পৰা ছেপ্তেম্বৰলৈ দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হোৱা বৰষুণৰ পৰিমাণ স্বাভাৱিকতকৈ অধিক হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালকপ্ৰধান ড০ মৃত্যুঞ্জয় মহাপাত্ৰই কয়, যে উত্তৰ পূৰ্বাঞ্চল, উত্তৰ-পশ্চিম আৰু দক্ষিণ উপদ্বীপ অঞ্চলৰ কেতবোৰ অংশৰ বাহিৰে দেশৰ অধিকাংশ ঠাইত এইবাৰ বাৰিষা কালত স্বাভাৱিকতকৈ অধিক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই বছৰ এল-নিনোৰ দৰে পৰিস্থিতি উদ্ভৱ হোৱাৰ সম্ভাৱনা নাই বুলি তেওঁ প্ৰকাশ কৰে।

আকাশবাণীৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত ধৰিত্ৰী বিজ্ঞান মন্ত্ৰালয়ৰ সচিব ড০ এম ৰবিচন্দ্ৰনে কয়, যে এই বছৰ মে'-জুন মাহত যোৱা বছৰৰ তুলনাত অধিক গৰম পৰাৰ সম্ভাৱনা আছে।

০০০০০

২০২৫ বৰ্ষৰ চেম্পিয়নছ ট্ৰফীত দেখুওৱা অনবদ্য প্ৰদৰ্শনৰ সুবাদত ভাৰতৰ শ্ৰেয়াছ আয়াৰক আই চি চিৰ মাৰ্চ মাহৰ শ্ৰেষ্ঠ পুৰুষ খেলুৱৈ ৰূপে নিৰ্বাচিত কৰা হৈছে। মহিলা শাখাত অষ্ট্ৰেলিয়াৰ জৰ্জিয়া ৱলে এই সন্মান আগবঢ়োৱা হৈছে।

শেহতীয়া চেম্পিয়নছ ট্ৰফীত ভাৰতৰ অভিযানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা শ্ৰেয়াছে অন্তিম তিনিখন খেলত ৫৭ দশমিক ৩-৩ গড়ত ১৭২ ৰাণ কৰিছিল। শ্ৰেয়াছে সম্পূৰ্ণ প্ৰতিযোগিতাত ৪৮ দশমিক ৬ গড়ত ২৪৩ ৰাণ কৰি দ্বিতীয় সৰ্বোচ্চ ৰাণ সংগ্ৰহকাৰী পৰিগণিত হয়। ফেব্ৰুৱাৰীত ভাৰতৰ আন এগৰাকী তাৰকা খেলুৱৈ শুভমন গিল আই চি চিৰ মাহটোৰ শ্ৰেষ্ঠ খেলুৱৈৰূপে নিৰ্বাচিত হৈছিল।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ এখন খেলত পঞ্জাৱ কিংছে কলকাতা নাইট ৰাইডাৰ্ছক ১৬ ৰাণত পৰাস্ত কৰে। চণ্ডীগড়ৰ মহাৰাজা য়াড়াবিন্দ্ৰ সিং আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ১১২ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি কলকাতাই ১৫ অভাৰ আৰু এটা বলত মাত্ৰ ৯৫ ৰাণত আটাইকেইটা উইকেট হেৰুৱায়। খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লোৱা পঞ্জাৱে ১৫ অভাৰ তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰাণ কৰিবলৈ সমৰ্থ হয়। প্ৰভচিমৰন সিঙে সৰ্বাধিক ৩০ ৰাণ কৰে। ২০২৫ বৰ্ষৰ আই পি এলৰ এয়া আছিল সৰ্বনিম্ন স্কৰ তথা আই পি এলৰ ইতিহাসত কোনো দলে ডিফেণ্ড কৰা সৰ্বনিম্ন স্কৰ। চাৰিটা উইকেট দখল কৰা পঞ্জাৱৰ যুজবেন্দ্ৰ চহলক প্লেয়াৰ অব দ্য মেচৰ বঁটা আগবঢ়োৱা হয়।

প্ৰতিযোগিতাত আজি নতুন দিল্লীত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

২০২৮ বৰ্ষৰ লছ এঞ্জেলেছ অলিম্পিকৰ ক্ৰিকেট খেলসমূহ প'ম'নাৰ মেলাথলীত নিৰ্মিত অস্থায়ী খেলপথাৰত খেলোৱা হ'ব। অলিম্পিক আয়োজক সমিতিয়ে কালি এই কথা প্ৰকাশ কৰে। দক্ষিণ কেলিফৰ্ণিয়াত অৱস্থিত প'ম'নাৰ পৰা লছ এঞ্জেলছৰ দূৰত্ব প্ৰায় ৫০ কিলোমিটাৰ। ক্ৰিকেট প্ৰতিযোগিতা টি-২০ আৰ্হিত আৰু পুৰুষ তথা মহিলাৰ উভয় শাখাৰ ছটা দলৰ মাজত খেলোৱা হ'ব। অলিম্পিকত ইয়াৰ পূৰ্বে ১৯০০ চনত পেৰিছত অন্তিম বাৰৰ বাবে ক্ৰিকেট খেল অনুষ্ঠিত হৈছিল। ২০২৮ চনত ১৪ৰ পৰা ৩০ জুলাইলৈ লছ এঞ্জেলেছ অলিম্পিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত